# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-12-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - - - - - - - - -**

১। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত শান্তি প্ৰতিষ্ঠাৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ ফলত অঞ্চলটোত বিকাশৰ গতি ত্বৰান্বিত হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ত্ৰিপুৰাত মন্তব্য।

২। পথ পৰিবহণ আৰু ঘাইপথ বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী অজয় টামটাৰ নগাঁও জিলাৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে পৰ্যালোচনা বৈঠক।

৩। ওদালগুৰি জিলাৰ টংলাত দুটি শিশুক হত্যাৰ ঘটনাৰ অভিযুক্তক অস্ত্ৰ-শস্ত্ৰসহ অসম আৰক্ষীৰ আটক।

৪। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনা অনুযায়ী অহা ১৯ জানুৱাৰীত ৰাজ্যৰ স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ টে’ট তথা নিযুক্তি পৰীক্ষা। **আৰু**

৫। গণশিল্পী সূৰ্য দাসৰ গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন।

০০০০০

কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত শান্তি প্ৰতিষ্ঠাৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ ফলত অঞ্চলটোত বিকাশৰ গতি ত্বৰান্বিত হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ত্ৰিপুৰাত মন্তব্য কৰিছে। ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাত অনুষ্ঠিত উত্তৰ-পূব পৰিষদৰ ৭২ সংখ্যক পূৰ্ণাংগ বৈঠকত সভাপতিত্ব কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূবৰ উন্নয়নত প্ৰভূত গুৰুত্ব আৰোপ কৰা হৈছে। যোৱা ১০ বছৰ উত্তৰ-পূবৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি মন্তব্য কৰি শ্ৰীশ্বাহে কয়, যে কেন্দ্ৰীয় চৰকাৰে বিনিয়োগকাৰীসকলক উত্তৰ-পূবত বিনিয়োগ কৰিবলৈ অনুপ্ৰাণিত কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থিক আৰু সামাজিক প্ৰগতি দেশৰ অন্যান্য অঞ্চলসমূহৰ সমতুল্য কৰাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ মূল উদ্দেশ্যসমূহৰ অন্যতম বুলি শ্ৰীশ্বাহে জানিবলৈ দিয়ে।

**বাইট (অমিত শ্বাহ)**

বৈঠকত অংশগ্ৰহণ কৰি ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই গৃহমন্ত্ৰী অমিত শ্বাহে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাসমূহে অঞ্চলটোত উগ্ৰপন্থীৰ সমস্যা হ্ৰাস কৰাত মুখ্য ভূমিকা লৈছে বুলি মত প্ৰকাশ কৰে। শ্ৰীসিন্ধিয়াই কয়, যে বিগত সময়ত অঞ্চলটোত উগ্ৰপন্থী কাৰ্যকলাপ পূৰ্বৰ তুলনাত ৭১ শতাংশলৈ হ্ৰাস পোৱাৰ লগতে এনে কাৰ্যকলাপত মৃত্যুৰ সংখ্যাও ৬০ শতাংশলৈ হ্ৰাস পাইছে।

০০০০০

ৰাজ্যৰ স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষক পদৰ বাবে টেট তথা নিযুক্তি পৰীক্ষা অহা ১৯ জানুৱাৰীত অনুষ্ঠিত হ’ব। গুৱাহাটী উচ্চ ন্যায়ালয়ে পূৰ্বে অহা ২৯ ডিচেম্বৰত স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ

শিক্ষক নিযুক্তিৰ বাবে হ'বলগীয়া টেট তথা নিযুক্তি পৰীক্ষা পিছুৱাবলৈ শিক্ষা বিভাগক দিয়া নিৰ্দেশৰ পাছতে বিভাগে আজি এই বিষয়ে প্ৰকাশ কৰিছে।

*(বাইট ঃ ৰণোজ পেগু)*

অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে প্ৰকাশ কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে ৩ জানুৱাৰীৰ দিনৰ ১১ বজাৰ পৰা মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবছাইট madhyamik.assam.gov.inৰ জৰিয়তে প্ৰৱেশ পত্ৰসমূহ পুনৰ ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে, ২৯ ডিচেম্বৰত এই পৰীক্ষা হোৱাৰ কথা আছিল যদিও পৰীক্ষাৰ পাঠ্যসূচী সলনি কৰাক লৈ ৬২ জন প্ৰাৰ্থীয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰে। আবেদনৰ শুনানি গ্ৰহণ কৰি কালি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনীষ চৌধুৰীৰ এজনীয়া বিচাৰপীঠে এই সন্দৰ্ভত নিৰ্দেশ প্ৰদান কৰে। গোচৰীয়া পক্ষৰ হৈ জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰে যুক্তি দৰ্শাই কয়, যে খেল এখন আৰম্ভ কৰাৰ পাছত নিয়ম সলনি কৰাটো যুক্তিসন্মত নহয়। উল্লেখযোগ্য যে, শিক্ষা বিভাগে ৫ ডিচেম্বৰতহে গণিত বিষয়টো নতুনকৈ পৰীক্ষাৰ পাঠ্যসূচীত অন্তৰ্ভুক্ত কৰে। গোচৰীয়া পক্ষৰ অধিবক্তাৰ এই যুক্তি মানি লৈ ন্যায়ালয়ে পৰীক্ষাৰ দিন কমেও ১৫ দিন পিছুৱাই দিবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিয়ে।

০০০০০

ওদালগুৰি জিলাৰ টংলাত দুটি শিশুক হত্যাৰ ঘটনাৰ অভিযুক্তক আৰক্ষীয়ে আটক কৰিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে এই বিষয়ে প্ৰকাশ কৰি কয়, যে অভিযুক্তৰ জিম্মাৰ পৰা অস্ত্ৰ জব্দ কৰাৰ লগতে এই সন্দৰ্ভত তথ্য প্ৰমাণ পোৱা গৈছে। বি টি আৰৰ আৰক্ষী মহাপৰিদৰ্শক আৰু ওদালগুৰিৰ আৰক্ষী অধীক্ষকে এই সন্দৰ্ভত শীঘ্ৰেই সংবাদ মাধ্যমক অৱগত কৰি তদন্ত প্ৰক্ৰিয়াৰ বিষয়ে বিতংভাৱে জনাব বুলি শ্ৰী সিঙে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে কালি বিদ্যালয়লৈ যোৱাৰ পাছৰে পৰা সন্ধানহীন হৈ থকা শিশু দুটিৰ মৃতদেহ পাছত উদ্ধাৰ কৰা হৈছিল।

০০০০০

ৰাজ্যৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই বি চি চি আইৰ ভাৰপ্ৰাপ্ত সাধাৰণ সচিবৰ পদ গ্ৰহণ কৰা বিষয়টো সাংবিধানিক নীতিৰ উলংঘন বুলি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কৰা অভিযোগ মহাধিবক্তাজনে নাকচ কৰিছে। বি চি চি আইৰ পদবীসমূহ আৰ্থিক ভাৱে লাভজনক নহয় বুলি মন্তব্য কৰি মহাধিবক্তা শ্ৰী শইকীয়াই কয় যে, এনে ধৰণৰ সন্মানজনক পদ গ্ৰহণ কৰাটো সাংবিধানিক নীতিৰ বিৰোধী নহয়। উল্লেখযোগ্য যে অসমৰ বিৰোধী দলপি দেৱব্ৰত শইকীয়াই ইতিপূৰ্বে বি চি চি আই ভাৰপ্ৰাপ্ত সাধাৰণ সচিবগৰাকীৰ বিৰুদ্ধে ভাৰতৰ মুখ্য ন্যায়াধীশ, অসমৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু ভাৰতীয় বাৰ কাউন্সিললৈ সংবিধান বিৰোধীতাৰ পত্ৰ প্ৰেৰণ কৰিছে। এই অভিযোগ নাকচ কৰি মহাধিবক্তাজনে এইদৰে কয়–

**(ভইচ কাষ্ট)**

০০০০০

ৰাজ্যখনলৈ অহা দেশী-বিদেশী পৰ্যটকসকলৰ সুবিধা হোৱাকৈ পৰ্যটক গৃহ বা হোম ষ্টে সমূহৰ বাবে মান সম্পন্ন বিধি যুগুত কৰিবলৈ পৰ্যটন বিভাগক বিভাগীয় মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে নিৰ্দেশ দিছে। তদুপৰি পৰ্যটন ক্ষেত্ৰত বৰ্তমানে ৰূপায়ণ হৈ থকা বিভিন্ন প্ৰকল্পৰ কাম বিভিন্ন সময়ত সম্পূৰ্ণ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে আজি দায়িত্ব গ্ৰহণ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে বিভাগৰ অধীনৰ পৰ্যটন সঞ্চালকালয় আৰু অসম পৰ্যটন উন্নয়ন নিগমৰ দ্বাৰা ৰূপায়িত আঁচনিসমূহৰ কামকাজ পৰ্যালোচনা কৰে। তেওঁ বিভাগীয় বিষয়াসকলক ৰাজ্যখনৰ পৰ্যটনক অধিক উজ্জীৱিত ৰূপত তুলি ধৰি অধিক সংখ্যক পৰ্যটকক আকৰ্ষণ কৰিব

পৰাকৈ কাম কৰি যাবলৈ আহ্বান জনায়। আজি পৰ্যটন সঞ্চালকালয়ত এই বৈঠকৰ পাছত মন্ত্ৰীগৰাকীয়ে পৰ্যটন সঞ্চালকালয় পৰিদৰ্শন কৰাৰ উপৰি অসম পৰ্যটন উন্নয়ন নিগমৰ কাৰ্যালয় পৰিদৰ্শন কৰে।

০০০০০

গুৱাহাটী জল বোৰ্ডৰ অধীনত মহানগৰৰ ৬৫ হাজাৰ লোকক অহা বছৰৰ মাৰ্চ মাহৰ ভিতৰত পানী সংযোগ প্ৰদান কৰা হ'ব বুলি গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰকাশ কৰিছে। বিভাগীয় মন্ত্ৰীৰ দায়িত্বভাৰ গ্ৰহণৰ পাছতে আজি তেওঁ জ্যেষ্ঠ সম্পাদক আৰু সাংবাদিকসকলৰ সৈতে **বাৰ্তালাপ** শীৰ্ষক এটা অনুষ্ঠানত ভাগ লৈ জনসাধাৰণৰ জীৱন শৈলীৰ সৰ্বাংগীন উন্নয়নৰ হকে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ পৰ্যালোচনা কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন অংশত হোৱা কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে গ্ৰহণ কৰা **মিছন ফ্লাড-ফ্ৰী** শীৰ্ষক অভিলাষী আঁচনিত আলোকপাত কৰে। এই ক্ষেত্ৰত তেওঁ শক্তিশালী নিষ্কাষণ ব্যৱস্থা গঢ়ি তোলা তথা গুৱাহাটী মহানগৰীক অধিক স্বচ্ছ আৰু বাসোপযোগী কৰি তোলাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে গুৱাহাটীৰ যান-জঁটৰ সমস্যা সমাধানৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মত প্ৰকাশ কৰে। আনহাতে প্ৰতিটো ঘৰতে বিশুদ্ধ খোৱাপানী যোগানৰ লক্ষ্যৰে চৰকাৰে আৰম্ভ কৰা জলজীৱন মিছনৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যৰ ৮২ শতাংশ ঘৰত নলযোগে পানীসংযোগ প্ৰদান কৰা হৈছে। এইক্ষেত্ৰত প্ৰয়োজনীয় অঞ্চল চিনাক্তকৰণত সংবাদমাধ্যমে বিশেষ ভূমিকা পালন কৰিছে বুলি শ্ৰীবৰুৱাই উল্লেখ কৰে। চৰকাৰ আৰু জনসাধাৰণৰ মাজত থকা যোগাযোগৰ ব্যৱধান দূৰ কৰাত সংবাদমাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি মন্ত্ৰীগৰাকীয়ে লগতে মন্তব্য কৰে।

০০০০০

কোকৰাঝাৰ জিলাৰ বিভিন্ন অঞ্চলত মেলেৰিয়াত আক্ৰান্ত লোকৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে এই অঞ্চলসমূহক **হটস্পট** হিচাপে ঘোষণা কৰিছে। জিলাখনৰ লুংচুং, সৰলপাৰা আৰু উল্টাপানীকে ধৰি অঞ্চলসমূহক হটস্পট হিচাপে চিনাক্ত কৰা হৈছে। ভাৰতীয় তেল নিগমৰ বঙাইগাঁও শোধনাগাৰে জিলাখনত এই ৰোগৰ প্ৰাদুৰ্ভাবৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনক ২৮ হাজাৰ ৫০০ খন ঔষধযুক্ত আঁঠুৱা যোগান ধৰে। শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক তথা মুৰববী এন কে বৰুৱাই জিলা আয়ুক্ত মাছান্দা এম মাৰ্টিনক কালি এই আঁঠুৱাসমূহ প্ৰদান কৰে। জিলা প্ৰশাসনে তৈল প্ৰতিষ্ঠানটোক এনে পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰামৰ্শ অনুসৰি ৰাজ্য চৰকাৰৰ ন্যায়িক বিভাগে শোণিতপুৰৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ তথা পকচ' আদালতৰ বিশেষ ন্যায়াধীশ ৰঞ্জু মেধিক বাধ্যতামূলক অৱসৰ প্ৰদান কৰিছে। ইতিমধ্যে নিলম্বিত হৈ থকা শ্ৰীমেধিক ৫৫ বছৰ বয়সত আজিৰে পৰা প্ৰযোজ্য হোৱাকৈ ন্যায়িক বিভাগে অৱসৰ প্ৰদান কৰে। অৱশ্যে এই সন্দৰ্ভত ন্যায়িক বিভাগে জাৰি কৰা নিৰ্দেশনাটোত প্ৰাক্তন ন্যায়াধীশগৰাকীৰ বাধ্যতামূলক অৱসৰৰ কাৰণ উল্লেখ কৰা হোৱা নাই।

০০০০০

মাজুলী জিলাৰ মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত বেটী বাচাও, বেটী পঢ়াও আঁচনিৰ অধীনত আজি স্বাস্থ্য আৰু পৰিপুষ্টি মেলা তথা ঋতুস্ৰাৱৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা ব্যৱস্থাপনা শীৰ্ষক এখন মেলা অনুষ্ঠিত হয়। জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে উদ্বোধন কৰা মেলাখনত ৬

বছৰ বয়সৰ তলৰ শিশুসকলৰ বাবে বৃদ্ধি নিৰীক্ষণ কোষ, মহিলা আৰু কিশোৰীসকলৰ বাবে হিমগ্লোবিন পৰীক্ষা কোষ, ঋতুস্ৰাৱ সজাগতা কোষ, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা পঞ্জীয়ন কোষ, কিশোৰী সেৰিকা কোষ তথা খাদ্য আৰু পৰিপুষ্টি কোষ গঠন কৰা হয়। পৰিপুষ্টি মেলাত কেইবাটাও শিশুক স্বাস্থ্যৱান শিশুৰ বঁটা প্ৰদান কৰাৰ লগতে কিশোৰীসকলৰ মাহেকীয়া স্বাস্থ্যৰ উন্নয়নৰ কাৰণে উদগণি দিবলৈ মিছ হিমগ্লোবিন বঁটাও প্ৰদান কৰা হয়। মেলাত ঋতুস্ৰাৱ সজাগতা পুস্তিকা আৰু ছেনিটাৰী নেপকিন বিতৰণ কৰা হয়।

০০০০০

**মানুহ দেখিছো আজি, বহুত মানুহ,** শীৰ্ষক গীতটিৰে অগণন শ্ৰোতা-জনতাৰ হৃদয়ত স্থান লাভ কৰা গণ শিল্পী সূৰ্য দাসৰ অন্ত্যোষ্টিক্ৰিয়া কিছু সময় পূৰ্বে নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হয়।

নগাঁও জিলাৰ ধৰমতুলত আজি পুৱা দেহাৱসান ঘটা গণ শিল্পী সূৰ্য দাসৰ নশ্বৰ দেহ গুৱাহাটীৰ গণেশ মন্দিৰ পথৰ বাসগৃহলৈ অনাৰ পাছত বহু লোকে তেওঁক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। কেইবাটাও জীৱনমুখী গীতেৰে জনতাৰ শিল্পী হৈ উঠা সূৰ্য দাসৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৬ বছৰ।

অসম সাহিত্যসভাৰ বিষ্ণু ৰাভা বঁটাকে ধৰি ভালেমান বঁটা আৰু সন্মানেৰে সন্মানিত সূৰ্য দাসৰ গীতসমূহত প্ৰচ্ছন্ন জাতীয়তাবোধ আৰু মানৱ প্ৰেমৰ প্ৰতিফলন দেখা যায়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী বিমল বৰা, মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বহু ব্যক্তি আৰু দল সংগঠনে শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। আম আদমী পাৰ্টিৰ ৰাজ্যিক সভাপতি মনোজ ধানৱাৰেও শিল্পীগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা জানুৱাৰী মাহত পক্ষী গণনা আৰম্ভ হ'ব। স্থায়ী জলচৰ আৰু পৰিভ্ৰমী পক্ষীৰ বিষয়ে তথ্য সংগ্ৰহ কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে এই গণনা কৰা হয়। উল্লেখযোগ্য যে, সম্প্ৰতি কাজিৰঙাৰ নদী, বিল, জলাশয়সমূহত ভালেমান পৰিভ্ৰমী পক্ষীৰ আগমন হৈছে। সেয়েহে এই গণনাত বিভিন্ন প্ৰজাতিৰ পক্ষীৰ বিষয়ে তথ্য লাভ কৰিব পৰা যাব বুলি উদ্যানখনৰ বন সংমণ্ডল বিষয়া অৰুণ ভিগনেছে প্ৰকাশ কৰিছে। উদ্যানখনৰ ছহলা, কাৰাছিং, ডোঙা, ৰৌমাৰী আদি অঞ্চলত পৰ্যটকে নিচেই ওচৰৰ পৰা পৰিভ্ৰমী পক্ষীৰ জাক দৃষ্টিনন্দন ৰূপত প্ৰত্যক্ষ কৰিছে। দেশ-বিদেশৰ প্ৰকৃতি প্ৰেমী আৰু আলোকচিত্ৰ শিল্পীসকলেও পক্ষীৰ আলোকচিত্ৰ সংগ্ৰহৰ বাবে উদ্যানখনত উপস্থিত হৈছে।

০০০০০

সদৌ অসম ক্ৰীড়া সাংবাদিক সন্থাই আয়োজন কৰা আন্তঃ সংবাদ প্ৰতিষ্ঠান ক্ৰীড়া সমাৰোহৰ আজি সামৰণি পৰে। আজি অন্তিম দিনা বঁটা বিতৰণী অনুষ্ঠানত বি চি চি আইৰ ভাৰপ্ৰাপ্ত সাধাৰণ সচিব দেৱজিৎ শইকীয়া, ক্ৰীড়া সঞ্চালক প্ৰদীপ টিমুং, অসম ক্ৰীড়া প্ৰাধীকৰণৰ উপাধ্যক্ষ লক্ষ্য কোঁৱৰ, জ্যেষ্ঠ সাংবাদিক সুবোধ মল্লবৰুৱা, পৱিত্ৰ গগৈ, সুশীম ঘোষৰ উপৰি আন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আজিৰ অনুষ্ঠানতে সন্থাই আয়োজন কৰা বেডমিণ্টন, ফুটবল, ক্ৰিকেট, টেবুল টেনিছ আৰু দবা প্ৰতিযোগতাৰ বিভিন্ন শাখাত বিজয়ী প্ৰতিযোগী আৰু সংবাদ গোষ্ঠীক বঁটা প্ৰদান কৰে। উল্লেখযোগ্য যে এইবাৰ বেডমিণ্টনৰ দলীয় শাখাত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মানস প্ৰতীম শৰ্মা আৰু মনদীপ মহন্ত চূড়ান্ত বিজয়ী হৈছে। একেদৰে টেবুল টেনিছৰ মহিলা শাখাত আকাশবাণীৰ পল্লবীকা বৰুৱাই একেৰাহে দ্বিতীয়বাৰৰ বাবে খিতাপ অৰ্জন কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **বিদেশ ভ্ৰমণৰ খুঁটি-নাটি** শীৰ্ষক এটা অনুষ্ঠান প্ৰচাৰ কৰিব। ফোন-ইন এই অনুষ্ঠানত ভ্ৰমণ পৰিচালনাৰ সৈতে জড়িত দুগৰাকী উদ্যমী প্ৰজ্ঞাস্মিতা বৰা আৰু প্ৰিয়ংকা গোস্বামী সমল ব্যক্তিৰূপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। এই অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬২৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰ দুটাত ফোন কৰি বিদেশ ভ্ৰমণ সম্পৰ্কত সমল ব্যক্তি দুগৰাকীৰ সৈতে কথা পাতিব পাৰিব।

ooooo

সমাপ্ত